# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-03-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উত্তৰ গুৱাহাটীৰ ৰং মহললৈ স্থানান্তৰৰ বিৰোধীতা কৰি আজি উচ্চ ন্যায়ালয়ৰ বাৰ এছ'চিয়েছনে ন্যায়ালয়ৰ পুৰণি ভৱনৰ সন্মুখত অৱস্থান ধৰ্মঘট পালন কৰে। অলপতে অনুষ্ঠিত সাধাৰণ সভাৰ সিদ্ধান্ত মৰ্মে এছ'চিয়েছনৰ ভালে সংখ্যক সদস্যই আজি দিনৰ ১২ বজাৰ পৰা ২ বজালৈ এই সিদ্ধান্তৰ প্ৰতিবাদত ধ্বনি দি অৱস্থান ধৰ্মঘট পালন কৰে। বাৰ এছ'চিয়েছনৰ সভাপতি তথা জ্যেষ্ঠ অধিবক্তা কমল নয়ন চৌধুৰীয়ে কয়, যে অধিবক্তা সমাজক আস্থা আৰু বিশ্বাসত নলৈ উচ্চ ন্যায়ালয় স্থানান্তৰৰ সিদ্ধান্ত এক পক্ষীয়ভাৱে লোৱা হৈছে। ২০১৪ চনত প্ৰায় ১০০ কোটি টকা ব্যয়ৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱন নিৰ্মাণ কৰা হৈছিল আৰু নতুন আৰু পুৰণি ভৱনৰ মাজত এটা সুৰংগ পথো নিৰ্মাণ কৰা হৈছিল। এনে স্থলত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উত্তৰ গুৱাহাটীলৈ স্থানান্তৰৰ যুক্তি-যুক্ততা নাই বুলি বাৰ এছ'চিয়েছনে যুক্তি দৰ্শায়।

ooooo

অসম বিধানসভাত আজি বিজেপিৰ মানৱ ডেকাই চি পি আই এমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে ৰাজ্যত চলি থকা দুৰ্নীতি, চিণ্ডিকেট আৰু ৰেট হোল মাইনিঙৰ সন্দৰ্ভত যোৱা ৫ মাৰ্চত সোধা প্ৰশ্ন আৰু পৰৱৰ্তীকালত সামাজিক মাধ্যমত ভাইৰেল হোৱা বিধায়ক তালুকদাৰৰ বুলি অভিযোগ কৰা এটা অডিঅ' বাৰ্তাৰ প্ৰসংগ উত্থাপন কৰে। বিধায়ক মানৱ ডেকাই এই অডিঅ' বাৰ্তা সন্দৰ্ভত তদন্ত হ'ব লাগে বুলি দাবী জনায়। বিধায়ক মনোৰঞ্জন তালুকদাৰে অডিঅ' বাৰ্তাৰ সত্যাসত্য নিৰূপণৰ বাবে তেওঁ প্ৰয়োজন সাপেক্ষে আদালতৰ দ্বাৰস্থ হ'ব বুলি প্ৰকাশ কৰে। বিষয়টোত হস্তক্ষেপ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে তেওঁৰ কাৰ্যকালত ২৪ জন প্ৰথম শ্ৰেণীৰ উচ্চ পৰ্যায়ৰ বিষয়া, ৮০ জন দ্বিতীয় শ্ৰেণীৰ বিষয়াকে ধৰি মুঠ ৩৪৯ গৰাকী চৰকাৰী বিষয়াক দুৰ্নীতিৰ গোচৰত গ্ৰেপ্তাৰ কৰা হৈছে। ৰেট হোল মাইনিং সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত কয়লাৰ গোচৰত এজনো লোকক গ্ৰেপ্তাৰ নকৰাৰ বিপৰীতে বিজেপি চৰকাৰে ৩ লাখ মেট্ৰিক টনতকৈও অধিক কয়লা জব্দ কৰাৰ লগতে ২২৮ জন লোকক গ্ৰেপ্তাৰ কৰিছে। ৰাজ্য চৰকাৰৰ মাদক দ্ৰব্য বিৰোধী অভিযানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ২০১১ৰ পৰা ২০১৫ চনলৈ ৰাজ্যত ৪০০ কোটি টকা মূল্যৰ মাদক দ্ৰব্য জব্দ কৰা হৈছিল। আনহাতে ২০২১ৰ পৰা বৰ্তমানলৈকে ২ হাজাৰ ৬০০ কোটি টকা মূল্যৰ মাদক দ্ৰব্য জব্দ কৰা হৈছে আৰু এই সংক্ৰান্তত ১৯ হাজাৰ লোকক আটক কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

রাজ্যৰ বিভিন্ন স্থানত আজি বিশ্ব যক্ষ্মা দিৱস উপলক্ষে  সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰা হয়। **পশ্চিম কাৰ্বি আংলং** জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি হামৰেণৰ জিলা যক্ষ্মা কেন্দ্ৰত এই দিৱস পালন কৰা হয়। হামৰেণ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ আলতাফ হুছেইনৰ সভাপতিত্বত আয়োজিত এই কাৰ্যসূচীত যক্ষ্মা ৰোগৰ লক্ষণ তথা এই ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত ল'বলগীয়া সাৱধানতা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়। **চৰাইদেউ** জিলাৰ সোণাৰিত আজি বিশ্ব যক্ষ্মা দিৱস উপলক্ষে নাফুক চাহ বাগিচাত এখন সভাৰ আয়োজন কৰা হয়। একেদৰে **যোৰহাট** জিলাৰ যক্ষ্মা কেন্দ্ৰই তিনিদিনীয়া কাৰ্যসূচীৰে এই দিৱসৰ আয়োজন কৰিছে। জিলাখনৰ যক্ষ্মা ৰুগী চিনাক্ত কৰা মুঠ ৪৬টা পঞ্চায়তৰ ভিতৰত বৰ্তমান ৩৯টাই যক্ষ্মামুক্ত হৈছে বুলি জিলা যক্ষ্মা ৰোগ বিষয়া ডাঃ ভক্তিময় ভট্টাচাৰ্যই উল্লেখ কৰে। এই উপলক্ষে আজি যোৰহাট ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত অসম মহোৎসৱত নিক্ষয় মিত্ৰসকলক নুমলীগড় তেল শোধনাগাৰে যোগান ধৰা খাদ্যৰ টোপোলা বিতৰণ কৰা হয়। **ধেমাজি** জিলা স্বাস্থ্য বিভাগ আৰু জিলা যক্ষ্মা নিয়ন্ত্ৰণ কোষে স্বাস্থ্য ভৱনত যক্ষ্মা দিৱস উপলক্ষে আয়োজিত কাৰ্যসূচীত যক্ষ্মামুক্ত পঞ্চায়ত হিচাপে ঘোষিত জিলাখনৰ  ২৯টা পঞ্চায়তক বিশেষভাৱে পুৰস্কৃত কৰা হয়।

০০০০০

কাছাৰ জিলাৰ কালাইন বজাৰৰ সমীপৰ পেঁচাছড়া অঞ্চলত দেওবাৰে নিশা এটা দহজনীয়া ডকাইতৰ দলে এজন লোকৰ ঘৰত আক্ৰমণ চলাই নগদ ধনকে ধৰি বহু মূল্যবান সা-সম্পত্তি লুট কৰি নিয়ে। ডকাইতৰ দলটোৱে শূন্যলৈ গুলীচালনা কৰি পলায়ন কৰে। ডকাইতৰ আক্ৰমণত ঘৰটোৰ গৰাকীজন গুৰুতৰভাৱে আহত হোৱাৰ উপৰি তেওঁৰ এজন চুবুৰীয়াৰ হাতত গুলী লাগে। ঘটনাৰ সম্ভেদ পোৱাৰ লগে লগে আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে যদিও এতিয়ালৈকে ডকাইতৰ দলটোৰ কোনো সন্ধান উলিয়াব পৰা নাই বুলি আমাৰ শিলচৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে পৰীক্ষা কেন্দ্ৰত সংঘটিত অনিয়মৰ গোচৰত গ্ৰেপ্তাৰ হোৱা ইউ এছ টি এমৰ স্বত্বাধিকাৰী মহবুবুল হকৰ জামিন মঞ্জুৰ কৰিছে। শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে অভিযুক্ত হকৰ জামিন চৰ্ত সাপেক্ষে মঞ্জুৰ কৰে। ন্যায়ালয়ে অভিযুক্তগৰাকীয়ে তদন্তত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ লগতে বিচৰা মাত্ৰেই তদন্তকাৰী বিষয়াৰ ওচৰত হাজিৰ হ'ব লাগিব বুলি চৰ্ত দিয়ে। উল্লেখযোগ্য যে পৰীক্ষা কেন্দ্ৰত অনিয়মৰ অভিযোগত মহবুবুল হকৰ বিৰুদ্ধে প্ৰথমে পাথাৰকান্দি থানাত দুটা গোচৰ ৰুজু হৈছিল। ইয়াৰ পাছত তেওঁৰ বিৰুদ্ধে বৰপেটা, কোকৰাঝাৰ, গোসাইগাঁও আৰু ঢেকীয়াজুলি থানাত গোচৰ ৰুজু হয়। শেহতীয়াকৈ ঢেকীয়াজুলি থানাৰ গোচৰত গ্ৰেপ্তাৰ কৰি তেওঁক কাৰাবন্দী কৰি ৰখা হৈছিল।

০০০০০

সমাপ্ত